অসম

দলৰ সাংগঠনিক শক্তি বৃদ্ধিত গুৰুত্ব বিজেপিৰ; মুখ্যমন্ত্রীৰ উপস্থিতিত বিজেপিৰ কৰ্ণধাৰ সভা

মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাৰ উপস্থিতিত বিজেপি অসম প্রদেশৰ কৰ্ণধাৰ সভাত সাংগঠনিক শক্তি বৃদ্ধি, নির্বাচনী সফলতাৰ পর্যালোচনা আৰু ভৱিষ্যৎ কার্যপন্থা নির্ধাৰণৰ ওপৰত আলোচনা কৰা হয়।

প্রকাশ: ৩ নৱেম্বৰ ২০২৬, নিশা ৭:১১



(NewzNow)

৩ নৱেম্বৰ: মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাৰ উপস্থিতিত মঙলবাৰে গুৱাহাটীৰ অটল বিহাৰী বাজপেয়ী ভৱনত বিজেপি অসম প্রদেশৰ ৰাজ্যিক কৰ্ণধাৰ সভা অনুষ্ঠিত হয়। বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাত দলৰ সাংগঠনিক শক্তি বৃদ্ধি, শেহতীয়া নির্বাচনী সফলতাৰ পর্যালোচনা আৰু আগন্তুক দিনৰ ৰাজনৈতিক তথা সাংগঠনিক কার্যপন্থাক লৈ বিস্তৃত আলোচনা কৰা হয়।

সভাত মুখ্যমন্ত্রীৰ লগতে ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক ৰবীন্দ্র ৰাজু, অসম বিজেপিৰ নৱনিযুক্ত প্রভাৰী মংগল পাণ্ডে, সহঃপ্রভাৰী এছ ফাংনন কন্যাক আৰু মনোজ টিম্বা তথা উত্তৰ-পূবৰ সহঃসমন্বয়ক ৰাজীৱ বৰ্ব্বৰ উপস্থিত থাকে।

সভাত তৃণমূল পর্যায়ত দলৰ সাংগঠনিক ভেটি অধিক শক্তিশালী কৰা, কার্যকর্তাসকলৰ মাজত সমন্বয় বৃদ্ধি আৰু জনসাধাৰণৰ সৈতে প্রত্যক্ষ সম্পর্ক সুদৃঢ় কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। লগতে সদ্যসমাপ্ত নগাঁও লোকসভা সমষ্টিৰ উপ-নির্বাচন আৰু শিলচৰ পৌৰনিগমৰ নির্বাচনত বিজেপিৰ বিজয়ৰ পর্যালোচনা কৰা হয়।

ইফালে, ভাৰতীয় জনতা যুৱ মর্চা, অসম প্রদেশৰ ৰাজ্যিক কার্যনির্বাহক সভাও অনুষ্ঠিত হয়। এই সভাত যুৱ মর্চাৰ সাংগঠনিক পৰিকাঠামো শক্তিশালী কৰা, নতুন প্রজন্মৰ মাজত দলৰ কাম-কাজ সম্প্রসাৰণ আৰু যুৱ সমাজক ৰাষ্ট্র নির্মাণৰ প্রক্রিয়াত অধিক সক্রিয়ভাৱে জড়িত কৰাৰ বিষয়ে আলোচনা কৰা হয়।

আনহাতে, বিজেপি অসম প্রদেশৰ অনুসূচিত জনজাতি মর্চাৰ উদ্যোগত হবেন সিং বে'ৰ সভাপতিত্বত এখন কর্মশালা অনুষ্ঠিত হয়। কর্মশালাত কেবিনেট মন্ত্রী ডাঃ ৰণোজ পেগু, বিশ্বজিৎ দৈমাৰী আৰু সাংসদ এছ্ ফাংনন কন্যাক উপস্থিত থাকে। ইয়াত স্বাধীনতা সংগ্রামত ভগৱান বীৰচা মুণ্ডাৰ অৱদান, জনজাতীয় সমাজৰ ভূমি আৰু অধিকাৰ সুৰক্ষাৰ সংগ্রাম তথা সাংস্কৃতিক স্বকীয়তা ৰক্ষাৰ বিষয়ত আলোচনা কৰা হয়। লগতে জনজাতীয় গৌৰৱ দিৱসৰ তাৎপর্য, শিক্ষা, দক্ষতা বিকাশ আৰু জনজাতীয় সমাজৰ আর্থ-সামাজিক সৱলীকৰণৰ ওপৰত গুৰুত্ব দিয়া হয়।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/617/assam-bjp-core-committee-meeting-himanta-biswa-sarma